بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু ফাজাৰা আৰু আব্দুল্লাহ বিন আতিকৰ অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ জানুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা খোতবাৰ আগত আঁহজৰত (ছাঃ)ৰ যুগৰ অভিযান আৰু যুদ্ধৰ কথা উল্লেখ হৈ আছিল। তেতিয়া বনু ফাজাৰাৰ অভিযানৰ বিষয়ে উল্লেখ হৈ আছিল। ইতিহাসত বনু ফাজাৰাৰ বিৰুদ্ধে এটা ঘটনা উল্লেখ পোৱা যায়, যিটো আছিল উম্মে কিৰফাৰ হত্যাৰ ঘটনা, কিছুমান ইতিহাসবিদে এই ঘটনাটো যিদৰে উল্লেখ কৰিছে ইয়াৰ পৰা স্পষ্ট বুজা যায় যে এইটো বাস্তৱতাৰ বিৰোধ ঘটনা হয়। এই ঘটনাৰ উল্লেখ হজৰত চাহাবজাদা মির্জা বশিৰ আহমদ (ৰাঃ)য়ে বৰ যুক্তিসংগত আৰু অতি সুন্দৰভাৱে উল্লেখ কৰিছে। তেখেত (ৰাঃ)য়ে লিখিছে যে আবু বক্কৰ (ৰাঃ)ৰ অভিযানৰ ঠাইত ইবনে ছাআদে এনেকুৱা এটা অভিযানৰ ঘটনা উল্লেখ কৰিছে য'ত জায়েদ বিন হাৰছা (ৰাঃ) আমিৰ হিচাপে আছিল। অৰ্থাৎ ইবনে ছাআদে এই অভিযানত হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰিৱৰ্তে জায়েদ বিন হাৰছাক আমিৰ বুলি বৰ্ণনা কৰিছে, বিৱৰণটো কিছু মতানৈক্যৰ সৈতে লিখিছে যে এই অভিযান বনু ফাজাৰাৰ সতকৰ্তাৰ বাবে আছিল যিটো ৱাদীলকুৰাৰ কাষতে অৱস্থিত আছিল; সিহঁতে মুছলমানসকলৰ এটা বাণিজ্যিক সমদলৰ ওপৰত অভিযান চলাই সিহঁতৰ সকলো সামগ্ৰী আৰু সম্পত্তি কাঢ়ি লৈ গৈছিল। এই দুৰ্নীতিগ্ৰস্ত গোটৰ আত্মা আছিল উম্মে কিৰফা নামৰ এগৰাকী বৃদ্ধা মহিলা; যি ইছলামৰ কঠোৰ শত্ৰু আছিল। যেতিয়া এই মহিলাগৰাকী সেই যুদ্ধত ধৰা পৰিছিল তেতিয়া জায়েদৰ গোটৰ কায়েছ নামৰ এজন ব্যক্তিয়ে সেই মহিলা গৰাকীক হত্যা কৰি পেলাইছিল। ইবনে ছাআদে এই হত্যাৰ কাহিনী এনেদৰে বৰ্ণনা কৰিছে যে তাইৰ উভয় ভৰি দুখন উটৰ সৈতে বান্ধি লৈছিল তাৰ পিছত সেই

উটবোৰ বিভিন্ন দিশত দৌৰাইছিল যাৰ ফলত এই মহিলাগৰাকী মাজৰ পৰা দ্বিটুকুৰা হৈ পৰিছিল তাৰ পিছত এই মহিলাগৰাকীক তাইৰ ছোৱালী ছালমা বিন আকুআৰ হাতত গতাই দিয়া হৈছিল। এই একেটা কাহিনী  ইবনে ইছহাকে কিছু সংক্ষিপ্ত, সাৰাংশ আৰু পাৰ্থক্যৰে বয়ান কৰিছে।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে লিখিছে যে এই ঘটনা সম্পূৰ্ণ ভুল আৰু ভিত্তিহীন, দুয়োটা দিশতে ভূৰা বুলি প্ৰমাণিত। যুক্তিসংগত ভিত্তিত এইটো জনা উচিত যে এগৰাকী মহিলা যাৰ ওপৰত হত্যাৰ অভিযোগ নাছিল ঠাণ্ডা মুহূৰ্তত কাৰাগাৰত ভৰাই হত্যা কৰাটো আৰু হত্যাও এনেদৰে কৰা যে যিটো বৰ্ণনাত বৰ্ণিত কৰা হৈছে দূৰৰ কথা; ইছলাম যুদ্ধ ময়দানতো মহিলাক হত্যা কৰাটো কঠোৰ ভাৱে নিষেধ কৰে। এই সন্দৰ্ভত আঁহজৰত (ছাঃ)য়ে কেইবাবাৰ স্পষ্টকৈ কৈছে যে মহিলাক হত্যা নকৰিবা। হাদীছত উল্লেখ পোৱা যায় যে এবাৰ যুদ্ধ ময়দানত কোনো শত্ৰু দলৰ এগৰাকী মহিলাক মৃত অৱস্থাত পায়, এই মৃত মহিলাগৰাকী কেনেকৈ হত্যা হৈছে কাৰ হাতত হত্যা হৈছে এইবোৰ ঘটনা নজনা সত্ত্বেও তেখেত (ছাঃ)য়ে সেই মহিলাগৰাকীক চাই বহু খঙাল হৈ চাহাবা সকলক সতৰ্ক কৰে যে পৰৱৰ্তীত এনেকুৱা কাম কেতিয়াও হ'ব নালাগে। এইদৰে যেতিয়া আঁহজৰত (ছাঃ)য়ে কোনো কাহিনী বৰ্ণনা কৰিছে  তাৰ লগতে চাহাবাসকলক উপদেশ দি থাকিছে যে কোনো মহিলা আৰু শিশুক হত্যা নকৰিব।

এই নীতিগত নিৰ্দেশনাৰ পিছতো চাহাবাসকলৰ সন্দৰ্ভত আৰু চাহাবা সকলৰ মাজত জায়েদ বিন হাৰছা (ৰাঃ) যিজন তেখেত (ছাঃ)ৰ ঘৰৰ মানুহ আছিল, তেওঁৰ সন্দৰ্ভত এই ধাৰণা কৰা যে কোনো মহিলাক এনেদৰে হত্যা কৰোৱাইছিল যি ঘটনা ইবনে ছাআদে বৰ্ণনা কৰিছে কোমোমতেই গ্ৰহণযোগ্য নহয়। যদিও বৰ্ণনাত হত্যাৰ ঘটনা জায়েদৰ প্ৰতি আৰোপ কৰা হোৱা নাই, বৰঞ্চ আন এজন মুছলমানৰ প্ৰতি আৰোপ কৰা হৈছে। কিন্তু যিহেতু এই ঘটনা জায়েদৰ নেতৃত্বত হৈছে সেই কাৰণে ইয়াৰ অন্তিম দায়িত্ব জায়েদৰ ওপৰতেই অৰ্পিত হোৱা বুলি গণ্য কৰা হ'ব; আৰু জায়েদৰ সন্দৰ্ভত এই ধাৰণা কৰা যে তেওঁ আঁহজৰত (ছাঃ)ৰ শিক্ষাক জনা সত্ত্বেও এই ধৰণৰ কাম কৰাৰ অনুমতি দিব এইটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

এতিয়া বাকী থাকিল বিবেক-বুদ্ধিৰ পদ্ধতি, প্ৰথম কথা ইবনে ছাআদে আৰু ইবনে ইছহাকে এই বৰ্ণনাৰ কোনো প্ৰমাণ দিয়া নাই, বিনা কোনো নিৰ্ভৰযোগ্য প্ৰমাণ এই ধৰণৰ বৰ্ণনা যি আঁহজৰত (ছাঃ)ৰ হিদায়ত, চাহাবা সকলৰ সাধাৰণ আৰু সুপৰিচিত পদ্ধতিৰ বিৰোধ ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। দ্বিতীয়তে এই ঘটনাক হাদীছৰ নিৰ্ভৰযোগ্য কিতাপ ছহী মুছলিম আৰু ছুনন ইবনে দাউদত বৰ্ণিত হৈছে, কিন্তু তাতে উম্মে কিৰফাৰ হত্যাৰ কথাৰ কোনো উল্লেখ নাই, আন কিছুমান বিস্তাৰিত বিৱৰণতও এই বৰ্ণনাক ইবনে ছাআদৰ বৰ্ণনাৰ সৈতে মতবিৰোধ হিচাপে বৰ্ণিত আছে।

যিহেতু ছহী হাদীছ নিশ্চয় আৰু নিশ্চিতভাৱে সাধাৰণ ঐতিহাসিক বৰ্ণনাতকৈ বহুত বেছি শক্তিশালী আৰু অধিক প্ৰাধান্যমূলক। সেই কাৰণে ছহী মুছলিম আৰু ছুনন আবু দাউদৰ বৰ্ণনাৰ সন্মুখত ইবনে ছাআদ আদিৰ বৰ্ণনা মজবুত বুলি গণ্য হ'ব নোৱাৰে। এই পাৰ্থক্য অধিক সুস্পষ্ট হৈ পৰে যেতিয়া আমি এই কথাৰ ফালে দৃষ্টি দিওঁ যে ইবনে ছাআদে আৰু ইবনে ইছহাকে নিজৰ বৰ্ণনা বিনা প্ৰমাণেৰে বয়ান কৰিছে, আৰু ইমাম মুছলিম আৰু আবু দাউদে নিজৰ বৰ্ণনা সম্পূৰ্ণ প্ৰমাণসহ বৰ্ণনা কৰিছে। মুহাদ্দিছসকলে বৰ সতৰ্কতাৰে কাম কৰিছে ইয়াৰ তুলনাত ইতিহাসবিদৰ সাধাৰণ বৰ্ণনাৰ কোনো বাস্তৱিকতা নাথাকে। সেই কাৰণে ইয়াত কোনো সন্দেহ নাথাকে যে উম্মে কিৰফাৰ নিৰ্মম হত্যাৰ ঘটনাটো সম্পূৰ্ণৰূপে মিছা আৰু ভিত্তিহীন। এইটো কোনো গুপ্ত ইছলামৰ শত্ৰু আৰু কপটাচাৰীৰ সহায়ত কিছুমান ইতিহাসৰ বৰ্ণনাত সোমাই গৈছে। বাস্তৱ ইয়াতোকৈ অধিক একোৱে নহয় যি

মুছলিম আৰু আবু দাউদে বৰ্ণনা কৰিছে।

আব্দুল্লাহ বিন আতিকৰ এটা অভিযান, ইয়াৰ বিষয়ে আবু ৰাফেৰ ফালৰ পৰা ইতিহাসত উল্লেখ পোৱা যায়, ইবনে ছাআদে বৰ্ণনা কৰিছে এই অভিযান ৬ হিজৰীত সংঘটিত হৈছিল।

ইয়াৰ বিস্তাৰিত বিৱৰণত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে ইহুদী নেতাসকলৰ দুৰ্নীতিপৰায়ণ উচটনি আৰু উচটনি দিয়াৰ বাবে ৫ হিজৰীৰ শেষৰ ফালে মুছলমান সকলৰ বিৰুদ্ধে আহজাবৰ যুদ্ধৰ ভয়াবহ বিদ্ৰোহৰ আৰম্ভণি হৈছিল। ইয়াৰ মাজত হাই বিন আখতাব বনু কুৰাইজাৰ সৈতে মিলি কুফৰ চৰিত্ৰত উপনীত হৈছিল; কিন্তু ছালাম বিন আবিল হাকিক যাৰ উপাধি আবু ৰাফে আছিল, তেতিয়াও খায়বৰ অঞ্চলত আগৰদৰেই তেওঁ স্বাধীন আৰু বিদ্ৰোহ সৃষ্টি কৰাত ব্যস্ত আছিল; বৰঞ্চ আহজাবৰ লাঞ্ছনামূলক ব্যৰ্থতা আৰু বনু কুৰাইজাৰ বিপদজ্জনক পৰিণামৰ ফলত তেওঁৰ শত্ৰুতা আৰু অধিক বৃদ্ধি পাইছিল, যিহেতু গোতফান কবিলাৰ বাসস্থান খায়বৰ অঞ্চলৰ কাষতেই আছিল; খায়বৰৰ ইহুদী আৰু নাজদৰ কবিলা পাৰস্পাৰিকভাৱে চুবুৰীয়া আছিল। সেই কাৰণে আবু ৰাফে যিজন এজন মহান বণিক আৰু ধনী মানুহ আছিল। নীতি বনাই লৈছিল যে নাজদৰ  বৰ্বৰ আৰু যোদ্ধাসকলক মুছলমান সকলৰ বিৰুদ্ধে উচটনি দি থাকিছিল। ৰছুলে কৰিম (ছাঃ)ৰ শত্ৰুতাত কাআব বিন আশ্বৰফ তেওঁৰ দৰেই আছিল। আবু ৰাফে এই পদ্ধতি অৱলম্বন কৰিলে যে আহজাবৰ যুদ্ধৰ নিচিনাই নাজদৰ কবিলা গোতফান আৰু আন আন কবিলাৰ পুনৰ পৰিদৰ্শন কৰা আৰম্ভ কৰিলে, মুছলমান সকলক ধ্বংস কৰাৰ বাবে এটা বিশাল সেনা বাহিনী একত্ৰিত কৰা আৰম্ভ কৰিলে, যেতিয়া এনে পৰ্যায়ত গৈ উপনীত হয় যে মুছলমান সকলৰ চকুৰ সন্মুখত পুনৰ সেই আহজাবৰ দৃশ্য দেখা পালে তেতিয়া আঁহজৰত (ছাঃ)য়ে এই কথা ভাৱি যে দেশত বৃহৎ পৰিমাণে ৰক্তাত্ব হোৱাৰ পৰিৱৰ্তে বিদ্ৰোহী আৰু বিশৃংখলা সৃষ্টি কৰা মানুহক মাৰি পেলোৱাটো উত্তম; ইয়াৰ পিছত আব্দুল্লাহ বিন আতিক আনছাৰীৰ নেতৃত্বত চাৰিজন চাহাবাক আবু ৰাফেৰ ফালে ৰাওনা কৰিলে, গৈ থাকোতে এয়া কৈছিল যে কোনো মহিলা আৰু শিশুক হত্যা নকৰিবা। ৬ হিজৰী ৰমজান মাহত এই দলে ৰাওনা হৈছিল আৰু বৰ সতৰ্কতাৰে সৈতে নিজৰ কাম সম্পূৰ্ণ কৰি উভতি আহে, ইয়াৰ পিছত এই বিপদৰ ডাৱৰ মদিনাৰ বায়ুমণ্ডলৰ পৰা সমাপ্ত গ'ল।

আবু ৰাফেৰ হত্যাৰ পিছত তেওঁৰ দুৰ্গত অৱস্থিত চিৰিৰে লৰালৰিকৈ নামি থাকোতে আব্দুল্লাহ বিব আতিকৰ ভৰি ভাঙিছিল (আন এটা বৰ্ণনা অনুসৰি তেওঁৰ গাঁঠিটো ওলাই আহিছিল) এইটো তেওঁৰ নিজৰে বয়ান আছিল, তাৰ পিছত আমি মদিনাত আহি আঁহজৰত (ছাঃ)ক আবু ৰাফেৰ হত্যাৰ বিষয়ে অৱগত কৰা হয়। তেখেত (ছাঃ)য়ে গোটেই ঘটনা শুনি মোক কলে যে নিজৰ ভৰিখন আগবঢ়াই আনা, মই ভৰিখন আগবঢ়াই দিলো তেতিয়া তেখেত (ছাঃ)য়ে প্ৰাৰ্থনা কৰি তাৰ ওপৰত নিজৰ হাতখন ঘূৰালে, ইয়াৰ পিছত মই এনেকুৱা অনুভৱ কৰিলোঁ যে মই কোনো আঘাত পোৱাই নাছিলোঁ।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে আবু ৰাফেৰ হত্যা সন্দৰ্ভত আমি ইয়াত কোনো তৰ্ক কৰাৰ প্ৰয়োজন নাই। আবু ৰাফেৰ হত্যা ইতিহাসৰ এটা স্পষ্ট উৎস। তেনে পৰিস্থিতিত চাহাবা সকলে যি কৰিছে সেয়া একেবাৰে সঠিক আছিল। যুদ্ধৰ পৰিস্থিতিত যেতিয়া এটা জাতিয়ে জীৱন-মৃত্যুৰ মাজেৰে পাৰ হৈ থাকে তেনে ক্ষেত্ৰত এনে ধৰণৰ কৌশল বৈধ বুলি গণ্য কৰা হয়; প্ৰত্যেক জাতিয়ে প্ৰয়োজন সাক্ষেপে প্ৰত্যেক যুগত এনেকুৱা পদ্ধতি অৱলম্বন কৰি আহিছে। কিন্তু পৰিতাপৰ বিষয় যে বৰ্তমান নৈতিক চৰিত্ৰৰ যুগত অপৰাধীৰ প্ৰতি  সহানুভূতিৰ উদ্যম ইমানেই অবৈধ পৰিসৰত উপনীত হৈছে যে এজন অত্যাচাৰীও নায়ক হৈ পৰে আৰু অপৰাধৰ বাবে যি শাস্তি পায় সেয়া জনসাধাৰণৰ অনুভূতিয়ে গ্ৰহণ কৰে, আৰু তেওঁৰ অপৰাধ মানুহে পাহৰি যায়। কিন্তু ইছলাম সন্দৰ্ভত আমি স্বীকাৰ কৰো যে এই ভুৱা অনুভূতিৰ ধৰ্ম নহয়, ইছলামে অপৰাধীক দোষী সাব্যস্ত কৰে। তেওঁৰ শাস্তিক দেশ আৰু সমাজৰ বাবে দয়াস্বৰূপ বুলি ভৰা হয়। ইছলামে বিপথে

পৰিচালিত হোৱা অংগক শৰীৰৰ পৰা কাটি পেলোৱাৰ শিক্ষা দিয়ে আৰু এই কথাৰ অপেক্ষা নকৰে যে এটা পচি যোৱা অংগই সুস্থ্য অংগক নষ্ট কৰিবলৈ দিব। বাকী শাস্তিৰ পদ্ধতিৰ প্ৰশ্নটো ইতিমধ্যে উল্লেখ কৰা হৈছে যে আৰবত সেই সময়ৰ পৰিস্থিতিত আৰু সেই সময়ত মুছলমান আৰু ইহুদীৰ মাজত প্ৰতিষ্ঠা হোৱা যুদ্ধৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি যি পদ্ধতি গ্ৰহণ কৰা হৈছিল, সেয়া ৰাজহুৱা শান্তিৰ ক্ষেত্ৰত উত্তম আৰু উপযুক্ত আছিল। শেষৰ ফালে হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইয়াৰ আৰু কিছুমান ঘটনা আছে যিবোৰ আগলৈ বৰ্ণনা কৰা হ'ব। ইনশাআল্লাহ-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 10 JANUARY 2025**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB